# ৰিমেনজ কলেজ, তিনিচুকীয়াত 'জব মেলা'

তিনিচুকীয়া ঃ ৩০ অক্টোবৰ ঃ ৰিমেনজ কলেজ, তিনিচুকীয়াত অলপতে এখন জব মেলা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ কেৰিয়াৰ কাউন্সেলিং এণ্ড প্লেচমেণ্ট চে'লৰ (CCPC) উদ্যোগত আৰু মহিন্দ্ৰা প্ৰাইড ক্লাছৰূম আৰু নন্দী ফাউণ্ডেশ্যনৰ সহযোগত আয়োজন কৰা জব মেলাখনত Blinkit, Digitudem, Avsar Group আৰু Confederation of Indian Industry (CII) ৰ দৰে কেইবাটাও খ্যাতনামা প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰে। অনুষ্ঠান উদ্বোধন কৰি ৰিমেনজ কলেজ, তিনিচুকীয়াৰ অধ্যক্ষ ড° মৃগাংক চৌধুৰীয়ে উপস্থিত সকলোকে আদৰণি জনোৱাৰ লগতে জব মেলাখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক নিয়োগ প্ৰতিষ্ঠানসমূহৰ সৈতে সংযোগ স্থাপন কৰি বিভিন্ন পেছাগত সম্ভাৱনা অনুসন্ধান কৰাৰ এখন মঞ্চ প্ৰদান কৰা হৈছে বুলি বক্তব্য আগবঢ়ায়। অনুষ্ঠানটোৰ জৰিয়তে ৮০ জনৰো অধিক প্ৰাৰ্থীক সফলভাৱে নিযুক্ত কৰা হয়। তদুপৰি ডিচেম্বৰ মাহত ৰিমেনজ কলেজ, তিনিচুকীয়াৰ CCPC কোষৰ উদ্যোগত তিনিচুকীয়া জিলাৰ বিভিন্ন কেৰিয়াৰ কাউন্সিলিং চে'লৰ সমন্বয়কসকলক একত্ৰিত কৰি এখন আলোচনা চক্ৰ আয়োজন কৰাৰ পৰিকল্পনা কৰা হৈছে, য'ত ছাত্ৰ-ছাত্ৰীসকলক নিযুক্তিৰ ক্ষেত্ৰত সহায়ক হোৱা বিভিন্ন বিষয়সমূহ আলোচনা কৰা হ'ব বুলি মহাবিদ্যালয়ৰ কেৰিয়াৰ কাউন্সেলিং এণ্ড প্লেচমেণ্ট চে'লৰ (CCPC) সমন্বয়ক নাজী বৰুৱাই জানিবলৈ দিয়ে।